**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চত্তিশগড়ৰ বাষ্টাৰ খণ্ডত এখন জনসভাত ভাষণ দিব।

২। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি মহাৰাষ্ট্ৰৰ চন্দ্ৰপুৰ ভ্ৰমণ কৰিব।

৩। লোকসভাৰ পাঁচখন আসনৰ বাবে অসমত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে।

৪। ভাৰত-পেৰুৰ মাজৰ সপ্তমলানি  বাণিজ্য চুক্তি আলোচনা আজি নতুন দিল্লীত আৰম্ভ হৈছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চত্তিশগড়ৰ বাষ্টাৰ খণ্ডত এখন জনসভাত ভাষণ দিব। অঞ্চলটোৰ ভানপুৰীৰ আমাবল গাঁৱত আয়োজিত বিজয় সংকল্প শংখনাদ  ৰেলীত  ভাষণ দি শ্ৰী মোদীয়ে ৰাজ্যখনত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ অভিযান আৰম্ভ কৰিব। সমষ্টিটোত অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিটোত অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, চত্তিশগড়ত ২০১৯ চনৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে ৯খন আসন লাভ কৰাৰ বিপৰীতে ভাৰতীয় জাতীয় কংগ্ৰেছে কেৱল দুখন আসন লাভ কৰিছিল। আনহাতে ২০১৪ৰ নিৰ্বাচনত বিজেপিয়ে ১০ খন আসন দখল কৰাৰ বিপৰীতে কংগ্ৰেছে কেৱল এখন আসনহে লাভ কৰিবলৈ সমৰ্থ হৈছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰৰ চন্দ্ৰপুৰ আৰু গৰচিৰলি লোকসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি চন্দ্ৰপুৰ ভ্ৰমণ কৰিব। মৰৰা বিমানবন্দৰ গ্ৰাউণ্ডত আয়োজিত হ'বলগীয়া জনসভাত ৰাজ্যখনৰ কেবাগৰাকীও জ্যেষ্ঠ বিজেপি নেতা তথা মহাৰাষ্ট্ৰৰ মহাযুঁটি মিত্ৰজোঁটৰ নেতাই অংশগ্ৰহণ কৰিব। ৰাজ্যখনৰ বনমন্ত্ৰী সুধীৰ মুংগাণ্টিৱাৰে চন্দ্ৰপুৰ লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে গৰচিৰলিৰ বৰ্তমানৰ সাংসদ অশোক নেতেয়ে গৰচিৰলি লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। ইপিনে, কংগ্ৰেছে চন্দ্ৰপুৰ আসনখনৰ বাবে প্ৰাক্তন সাংসদ বালুধানুৰকাৰৰ পত্নী প্ৰতিভা ধানুৰকাৰক প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ বিপৰীতে গৰচিৰলি আসনখনৰ বাবে ড০ নামদেৱ কীৰচানক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰামটেক লোকসভা সমষ্টিৰ কানহান অঞ্চলত অহা ১০ এপ্ৰিলত মহাযুঁটি মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰাজু পাৰৱেৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, ৰাজু পাৰৱেৰেই  শিৱসেনাৰ প্ৰতীকত গ্ৰাম্য নাগপুৰৰ পৰা ৰামটেক লোকসভা আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। পূব বিদৰ্ভৰ নাগপুৰ, ৰামটেক, হান্দ্ৰাপুৰ, গৰচিৰলি চিমুৰ আৰু ভান্দাৰা গন্দিয়াকে ধৰি ৫টা সমষ্টিত অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত উত্তৰাখণ্ডৰ পাঁচোখন লোকসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনত ৮৩ লাখ ৩৭ হাজাৰ ৯১৪ গৰাকী ভোটদাতাই ৫৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ১৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা গড়ৱাল লোকসভা আসনখনত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে। এই আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলে ভোটদাতাসকলৰ সমৰ্থন তথা বিশ্বাস জয় কৰাৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোত তুমূল প্ৰতিদ্বন্দ্বিতাৰ সম্ভাৱনা পৰিলক্ষিত হৈছে। বিজেপিৰ অনিল বালুনী, কংগ্ৰেছৰ গণেশ গডিয়াল, বি এছ পিৰ ধীৰ সিং, উত্তৰাখণ্ড ক্ৰান্তি দলৰ আশুতোষ নেগীকে ধৰি কেইবাগৰাকীও আগশাৰীৰ নেতাই এই আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। তদুপৰি তিনিগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়েও এই প্ৰতিদ্বন্দ্বিতাত নামিছে।সমষ্টিটোত ৩ লাখ ৩ হাজাৰ ৮০ গৰাকী ভোটদাতাই প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সাজু হৈছে।

সমষ্টিটোত দুহেজাৰ ৩৫৭টা ভোটগ্ৰহণ কেন্দ্ৰ সাজু কৰি তোলা হৈছে। উল্লেখযোগ্য যে, ২০১৯ চনৰ নিৰ্বাচনত বিজেপিৰ তীৰথ সিং ৰাৱাটে কংগ্ৰেছৰ মণিষ খান্দুৰীক ৩ লাখ দুহেজাৰ ৬৬৯ ভোটত পৰাভূত কৰি গড়ৱাল আসন দখল কৰিছিল।

০০০০০০০

লোকসভাৰ পাঁচখন আসনৰ বাবে অসমত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ ডিব্ৰুগড় আৰু শোণিতপুৰত জনসমাবেশত অংশ ল'ব। মন্ত্ৰী শ্বাহৰ লগতে সমাবেশসমূহত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব।

আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে ডিব্ৰুগড়ৰ দুলীয়াজানত আয়োজিত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে।

কাইলৈ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, ৰাষ্ট্ৰীয় মুখ্য সম্পাদক জীতেন্দ্ৰ সিং আৰু যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা সাংসদ গৌৰৱ গগৈয়েও বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ ল'ব।

আনহাতে, আজি লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ৫ খন আসনৰ বাবে ৬৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হৈছে।

০০০০০০০

ভাৰত-পেৰুৰ মাজৰ সপ্তমলানি বাণিজ্য চুক্তি আলোচনা আজি নতুন দিল্লীত আৰম্ভ হৈছে। দুয়োখন দেশৰ মাজৰ বাণিজ্য আৰু বিনিয়োগ খণ্ডৰ উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰি তোলাৰ লক্ষ্য আগত ৰাখি এই বৈঠক আয়োজন কৰা হৈছে। বাণিজ্য আৰু উদ্যোগ বিভাগে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছে যে, এই পদক্ষেপৰ জৰিয়তে ভাৰত আৰু পেৰুৰ মাজৰ অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত কৰাৰ লগতে দ্বিপাক্ষিক বান্ধোন শক্তিশালী কৰাৰ দিশত দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ আৰু ড০ এল মুৰুগানে আজি চেন্নাইত তামিল জনম টিভি যুটীয়াভাৱে মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী ঠাকুৰে কয় যে, মানসম্পন্ন বাতৰি প্ৰচাৰৰ ক্ষেত্ৰত আঞ্চলিক ভাষাৰ চেনেলসমূহৰ বিকাশ ঘটোৱাৰ প্ৰয়োজন। তেওঁ চেনেলটোৰ এটা পেছাদাৰী পৃষ্ঠভূমি আছে বুলি প্ৰকাশ কৰি ঁ কয় যে, চেনেলটোৱে আধ্যাত্মিকতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি তামিল পৰিচয়, জাতীয়তাবাদী ভাবাদৰ্শ তথা বাতৰি প্ৰচাৰ কৰিব। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰসংগত ড০ মুৰুগানে কয় যে, তামিলনাডুৰ সংস্কৃতি, কলা আৰু পৰম্পৰাৰ ঐশ্বৰ্য্যশালী ইতিহাস আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাচীন ভাষা তামিলক গোলকীয় পৰ্যায়ত পৰিচয় কৰাই দিয়াৰ বিষয়ে তেওঁ সোঁৱৰে।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ আয়োগ অৰ্থাৎ এন চি ই আৰ টিয়ে ইয়াৰ শৈক্ষিক সমলসমূহৰ স্বৰ্ত্ব উলংঘনৰ সন্দৰ্ভত পৰামৰ্শমূলক সতৰ্কতা জাৰি কৰিছে। এই জাননী অনুসৰি কোনো ব্যক্তি বা সংস্থাই যাৱতীয় অনুমতি অবিহনে আয়োগৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথিসমূহৰ বিষয়বস্তু ব্যৱসায়িক উদ্দেশ্যত ব্যৱহাৰ কৰিলে তাৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব। শৈক্ষিক প্ৰতিষ্ঠানটোৱে লগতে জাননীখনত অবৈধভাৱে তেওঁলোকৰ সমল সংযোজন কৰি কোনো সংস্থাই প্ৰকাশ কৰা পাঠ্যপুথি বা কৰ্মপুথি ব্যৱহাৰ নকৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। তদুপৰি, কোনো ব্যক্তিয়ে এনে পাঠ্যপুথিৰ বিষয়ে অৱগত হ'লে ততালিকে আয়োগক জনাবলৈ জাননীযোগে অনুৰোধ কৰা হৈছে।

০০০০০০০

আজি উত্তৰ আমেৰিকাত পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণ হ'ব। প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ পৰা আৰম্ভ হ'বলগীয়া এই বিৰল মহাজাগতিক পৰিঘটনা মেক্সিকো, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাৰ বাসিন্দাই প্ৰত্যক্ষ কৰাৰ সুযোগ পাব। ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ১২ মিনিটৰ পৰা আৰম্ভ হ'বলগীয়া এই পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণ পুৱতি নিশা দুই বাজি ২২ মিনিটলৈকে থাকিব। মেক্সিকো, আমেৰিকা আৰু কানাডাৰ ১৮৫ কিলোমিটাৰ দূৰত্ব পৰ্যন্ত এলেকাৰ আৱাসীসকলে পূৰ্ণগ্ৰাস সূৰ্যগ্ৰহণ প্ৰত্যক্ষ কৰাৰ সুযোগ পাব।

০০০০০০০

পেৰিছত যোৱা নিশা আঠমহলীয়া অট্টালিকাত সংঘটিত ভয়াৱহ অগ্নিকাণ্ডত ৩ গৰাকী লোক নিহত হয়। ঘটনাৰ কাৰণ অৱশ্যে স্পষ্টকৈ জানিব পৰা হোৱা নাই। প্ৰত্যক্ষদৰ্শীৰ মতে, অট্টালিকাটোৰ সপ্তম মহলাত অগ্নিকাণ্ডটোৰ পূৰ্বে বিস্ফোৰণৰ শব্দ শুনিবলৈ পোৱা গৈছিল। অগ্নিকাণ্ডৰ কাৰণ নিৰ্ণয়ৰ বাবে ইতিমধ্যে অনুসন্ধান আৰম্ভ হৈছে। অগ্নিকাণ্ডৰ লগে লগে ততালিকে অট্টালিকাটোৰ কাষৰীয়া ভৱনসমূহৰ আৱাসীসকলক ঘৰ খালী কৰিবলৈ নিৰ্দেশ দিয়া হয়। পাছত তেওঁলোক নিজৰ নিজ গৃহলৈ উভতি যায়। ফ্ৰান্সৰ ৰাজধানী চহৰখনত যোৱা কেইটামান বছৰত ঘটা এইটো তৃতীয় বৃহৎ অগ্নিকাণ্ড।

০০০০০০০

আকাশবাণীৰ দ্বিভাষিক অনুষ্ঠান প্লাৱিক স্পীকত আজি নিশা চাৰে ৯ বজাত **Pension Options available for General public** অৰ্থাৎ অসামৰিক লোকৰ বাবে উপলব্ধ পেন্সন বিকল্পসমূহ সন্দৰ্ভত বিত্ত বিশেষজ্ঞ বলৱন্ত জৈন আৰু সাৰদ ক'হলিৰ সৈতে এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনা চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই **০১১-২৩৪২১০৫০** আৰু **০১১-২৩৩১৪৪৪৪** নম্বৰলৈ ফোন কৰি জনসাধাৰণৰ বাবে উপলব্ধ হৈ থকা পেন্সনৰ বিভিন্ন বিকল্প তথা এইসমূহ ব্যৱহাৰ কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। ইয়াৰ উপৰি শ্ৰোতাসকলে **৯২৮৯০-৯৪০৪৪** নম্বৰত হোৱাটছআপৰ জৰিয়তেও প্ৰশ্ন কৰিব পাৰিব। অনুষ্ঠানটি আকাশবাণীৰ গ'ল্ড আৰু অতিৰিক্ত ফ্ৰিকুৱেঞ্চিসমূহত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। ইয়াৰ উপৰি আকাশবাণীৰ ৱেবচাইট newsonair.gov.in আৰু আমাৰ ইউটিউব চেনেল News ON AIR OFFICIALটো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া খেলত চেন্নাই ছুপাৰ কিংছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে গুজৰাট টাইটানছক ৩৩ ৰানত পৰাজিত কৰে। গুজৰাট টাইটানছে ১৬৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩০ ৰান কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ছাই সুদৰ্শনে ৩১ ৰান কৰে।

০০০০০০০

ঃসমাপ্তঃ